# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-05-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

৭ মে’ত হ’বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কাইলৈ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ উপৰি অন্যান্য ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ আজাৰা-ধাৰাপুৰ, গৰল আৰু নগাঁৱত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। নগাঁৱত আয়োজিত প্ৰচাৰ সভাত মন্ত্ৰী কেশৱ মহন্তৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি জাগীৰোড সমষ্টিৰ ঔজাৰি আৰু মায়ঙত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত মন্ত্ৰী পীযূষ হাজৰিকা, বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি দক্ষিণ কামৰূপৰ ৰঙামাটি আৰু বিলাসীপাৰাৰ শালকোচাত প্ৰচাৰ সভাত অংশ লয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত বিজেপি, কংগ্ৰেছ আৰু এ আই ইউ ডি এফ দলে ব্যাপক প্ৰচাৰ চলাই আছে। কালি এ আই ইউ দি এফৰ বিলাসীপাৰা পশ্চিম সমষ্টিৰ বিধায়ক হাফিজ বচিৰ আহমেদ কাচিমি, মানকাচৰৰ বিধায়ক আমিনুল ইছলাম আৰু সোণাই সমষ্টিৰ বিধায়ক কৰিমউদ্দিন বৰভূঞাই ৪ নম্বৰ দক্ষিণ শালমাৰা জিলা পৰিষদৰ প্ৰাৰ্থী চামচুন নেহাৰৰ হৈ দুখনকৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কংগ্ৰেছ দলৰ হৈ অসম বিধানসভাৰ বিৰোধী দলপতি তথা দলৰ নেতা দেৱব্ৰত শইকীয়াই কালি নলবাৰী জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। তেওঁ বাঁহজানী জিলা পৰিষদ সমষ্টিৰ ছখন আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ প্ৰাৰ্থীৰ সৈতে মত বিনিময় কৰে। শ্ৰীশইকীয়াই বাঁহজানী ঘোগা গাঁও পঞ্চায়ত আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী আৰু ৱাৰ্ড সদস্যা পদৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ৩৯ লৈ বৃদ্ধি পাইছে। আৰক্ষীয়ে শেহতীয়াকৈ দেশ বিৰোধী মন্তব্য কৰাৰ বাবে হোজাইৰ পৰা মিষ্টাকুল আলম আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ পৰা জেহিৰুল ইছলাম নামৰ লোক এজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষী এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত থাকিব বুলি উল্লেখ কৰে।

উল্লেখযোগ্য যে ভাৰত বিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। একেদৰে হাইলাকান্দিত ৩ জন, চিৰাং, কোকৰাঝাৰ, কামৰূপ, গোৱালপাৰা, দক্ষিণ শালমাৰা মানকাচৰ আৰু নগাঁৱত দুজনকৈ তথা বিশ্বনাথ, দৰং, গোলাঘাট, ধুবুৰী, লখিমপুৰ, মৰিগাঁও, শিৱসাগৰ, শোণিতপুৰ, শ্ৰীভূমি, হোজাই আৰু তামুলপুৰ জিলাৰ এজনকৈ লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০

সমগ্ৰ দেশ আৰু বিদেশৰ ১৩ খন চহৰৰ ৫ হাজাৰৰো অধিক কেন্দ্ৰত আজি দিনৰ ২ বজাৰ পৰা বিয়লি ৫ বজালৈ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপন তথা প্ৰৱেশ পৰীক্ষা নীট-ইউ জি অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ বাবে ২২ লাখ ৭০ হাজাৰৰো অধিক প্ৰাৰ্থীয়ে নাম পঞ্জীয়ন কৰিছে।

অসমত এইবাৰ ৩০ খন চৰকাৰী মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কেন্দ্ৰীয় বিদ্যালয়ত নীট পৰীক্ষা অনুষ্ঠিত হ'ব। চোৰাংচোৰা সংস্থাৰ তদন্তত নীট পৰীক্ষাৰ কেন্দ্ৰত ইতিপূৰ্বে অনিয়ম হোৱা বুলি ধৰা পৰালৈ চাই মুখ্যমন্ত্ৰীয়ে এন টি এ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি কেৱল চৰকাৰী শিক্ষানুষ্ঠানতহে পৰীক্ষা কেন্দ্ৰ স্থাপন কৰাটো নিশ্চিত কৰিছে। পৰীক্ষা হ'বলগীয়া কেন্দ্ৰসমূহত ব্যাপক নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এ কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰি কেন্দ্ৰসমূহত আই এ এছ আৰু এ ছি এছ বিষয়াক তদাৰকৰ দায়িত্ব দিছে। আৰক্ষী অধীক্ষকসকলকো সংশ্লিষ্ট জিলাৰ দায়িত্ব দিয়া হৈছে। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনো ধৰণৰ অনিয়ম সংঘটিত হ'ব নোৱাৰে তাৰ বাবে নিশ্চিদ্ৰ ব্যৱস্থাৰ দিহা কৰা হৈছে।

০০০০

সদৌ ডিব্ৰুগড়ৰ ছাত্ৰ সন্থাই সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াক **ডিব্ৰু** সন্মানেৰে সন্মানিত কৰে। জিলা ছাত্ৰ সন্থাই অসমীয়া নৱবৰ্ষৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড়ৰ চৌকিডিঙি খেলপথাৰত আয়োজন কৰা কেন্দ্ৰীয় ৰঙালী উৎসৱত প্ৰতি বছৰে ৰাজ্যৰ দুজন বিশেষ ব্যক্তিক **ডিব্ৰু** সন্মান প্ৰদান কৰি আহিছে। এই বৰ্ষৰ অনুষ্ঠানত দুয়োগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব নোৱাৰা বাবে কালি ডিব্ৰুগড় ছাত্ৰ সন্থাৰ লগতে কেন্দ্ৰীয় ৰঙালী উৎসৱ উদযাপন সমিতিৰ এটা প্ৰতিনিধি দলে সাহিত্যিক নগেন শইকীয়া আৰু অভিনেতা বিষ্ণু খাৰঘৰীয়াৰ বাসগৃহত উপস্থিত হৈ এই সন্মান প্ৰদান কৰে।

০০০০

অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাক কালি কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। বৃহস্পতিবাৰে দুয়োজন অভিযুক্তই জামিন লাভ কৰিছিল আৰু কালি ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰৰ পৰা মুকলি হয়। ইয়াৰ আগেয়ে বৃহস্পতিবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰিছিল । ইপিনে, অনলাইন ট্ৰেডিঙক লৈ হোৱা বিত্তীয় অনিয়মৰ আন এগৰাকী অভিযুক্ত চুমি বৰা বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰত এতিয়াও কাৰাৰুদ্ধ হৈ আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................